**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-09-2025 **Time :** 1205Hrs.

## <u>Assamese Midday Bulletin</u>

0000000

অসমৰ সংগীত জগতৰ উজ্বল নক্ষত্ৰ, অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষা ইতিমধ্যে সম্পন্ন হৈছে। শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ ভাৰতৰ ৰাষ্ট্ৰদূত তথা ছিংগাপুৰত উপস্থিত থকা জুবিন গাৰ্গৰ বন্ধুবৰ্গৰ হাতত অৰ্পণ কৰা হৈছে। এতিয়া শিল্পীগৰাকীৰ নশ্বৰ দেহ দিল্লীলৈ অনাৰ ব্যৱস্থা কৰা হৈছে আৰু দিল্লীৰ পৰা তেওঁৰ বাসগৃহলৈ অনা হ'ব। পৰিয়ালবৰ্গৰ সৈতে কিছু সময় কটোৱাৰ পাছত সৰুসজাইত শিল্পীগৰাকীৰ নশ্বৰ দেহ ৰখাৰ ব্যৱস্থা কৰা হ'ব। জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ ৰাখিবলগীয়া ষ্টেডিয়ামখনৰ সামগ্ৰিক ব্যৱস্থাপনা নিৰীক্ষণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে।

-বাইট-

তেওঁ কয়, যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ ঘোষণা কৰিছে। নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা তদন্তৰ আওতালৈ আহিব বুলি ড০ শৰ্মাই মন্তব্য কৰে।

আৰু গুণমুগ্ধসকলক সমবেদনা জ্ঞাপন কৰে। ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে ৰাজহুৱাভাৱে প্ৰিয় শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে তেওঁৰ নশ্বৰদেহ সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা

তেওঁ লগতে কয়, যে নশ্বৰদেহ অসমলৈ অনাৰ পাছতহে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰা হ'ব।

ইপিনে জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিদ্যালয়সমূহত আজিৰে পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষা পিছুৱাই দিয়া হৈছে। শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া নোহোৱা পৰ্যন্ত পৰীক্ষা পিছুৱাই দিবলৈ বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দেশ দিয়া হৈছে।

0000000

অসমবাসীৰ হিয়াৰ আমঠু, জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানতো প্ৰভাৱ পেলাইছে। জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত কালি বিয়লিৰ পৰা হঠাৎ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান স্তব্ধ হৈ পৰে। জুবিনৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ পাছতে বিজেপি আৰু কংগ্ৰেছে বাকী থকা নিৰ্বাচনী প্ৰচাৰ বাতিল কৰাৰ কথা ঘোষণা কৰে।

অৱশ্যে কালি আগবেলা বিজেপি, কংগ্ৰেছ, ইউ পি পি এল আৰু বিপিএফকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ দলৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন স্থানত শেষ পৰ্যায়ৰ প্ৰচাৰ অভিযানত ভাগ লয়। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কোকৰাঝাৰৰ ছালাকাটি পৰিষদীয় সমষ্টিৰ

বিজেপিৰ প্ৰাৰ্থী কবিতা বসুমতাৰী আৰু চিৰাং জিলাৰ সুভাইজাৰ পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী প্ৰভাত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সা জিলাৰ মথনগুৰি আৰু শালবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়।

বাক্সা জিলাৰ ককলাবাৰীত কালি ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱেও দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ জিলাখনৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ ইউ পি পি এল দলৰ প্ৰাৰ্থী মণ্টু বড়োৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

চিৰাং জিলাৰ কাজলগাওঁ পৰিষদীয় সমষ্টিৰ হাশ্ৰাওবাৰীত তৃণমূল কংগ্ৰেছৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অকালতে মৃত্যু ঘটা জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

০০০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বিটিচিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শাণ্ডিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

০০০০০০০

সমাপ্ত